# উপসংহাৰ

# উপসংহাৰ

প্ৰত্যেকখন ঠাইৰ নামৰ উৎপত্তিৰ সৈতে বহুতো দিশ বিজৰিত হৈ থাকে। ভাষা, নৃতত্ত্ব, সাংস্কৃতিক, ভৌগোলিক, ঐতিহাসিক আদি বহুতো দিশৰ তথ্য প্ৰতিখন ঠাইৰ নামেৰে সৈতে সাঙোৰ খাই থাকে। প্ৰাচীন সাহিত্য, ঐতিহ্য, কিম্বদন্তি, কাহিনী, উপকাহিনী ঠাইৰ নামৰ মাজেদি চিৰস্মৰণীয় হয়। প্ৰাচীন ঐতিহ্য, কিম্বদন্তি উপকথাই স্থান নামৰ লগত ৰজিতা খাই যুগজয়ী হয়। গতিকে ঠাইৰ নামৰ অধ্যয়ন হৈ পৰে অতিশয় কৌতূহ'লপূৰ্ণ আৰু আমোদজনক। অসমৰ ঠাইৰ নামবোৰ গঢ়ি উঠোতে সংস্কৃত ভাষাৰ লগত অষ্ট্ৰিক, দ্ৰাবিড়, তিব্বতবৰ্মী আৰু ফাৰ্চী ভাষাৰ যথেষ্ট প্ৰভাৱ পৰিছে।

ঠাই নাম সমূহৰ শৃংখলাবদ্ধ অধ্যয়নৰ মূল্য ৰাজনৈতিক ক্ষেত্ৰতকৈ ঐতিহাসিক আৰু সাংস্কৃতিক ক্ষেত্ৰতহে অধিক গুৰুত্বপূৰ্ণ। বহুতো গাঁও, অঞ্চল বা ঠাইৰ নাম যুগ যুগ ধৰি চলি আহিছে, কেতিয়াবা বিভিন্ন কাৰণত কিছুমান ঠাইৰ নাম সলনিও হৈছে। আমাৰ দেশলৈ আৰ্যসকল অহাৰ পাছত আৰ্যপূৰ্ব পুৰণি নামবোৰক সংস্কৃতীয়া ৰূপ দি অভিজাত কৰি তুলিলে। সংস্কৃতৰ প্ৰভাৱত পৰি লুইত হ'ল লৌহিত্য, তেজপুৰ (তেজ, অৰ্থ সাপ) হ'ল শোণিতপুৰ। হিন্দুৰ দেৱ-দেৱী ঋষি-মুনিৰ নামৰ অনুকৰণত অসমৰ নদ-নদী, পৰ্বত-পাহাৰ, অৰণ্যৰ নতুন নামকৰণ হ'ল। পুৰণি অসমৰ এই ঠাইবোৰৰ নামতেই ইয়াৰ আৰ্য সভ্যতা বিস্তাৰৰ বুৰঞ্জী লুকাই আছে। অবিভক্ত গোৱালপাৰা জিলাৰ ঠাইৰ নামবোৰো ইয়াৰ অন্যথা নহয়। গোটেই পৃথিৱীৰ ঠাইৰ নামবোৰত এনেকুৱা কথাবোৰৰ শৃংখলা ধৰা পৰে। ঠাইৰ নামৰ উৎপত্তিৰ পম খেদি গ'লে জগতৰ মানুহবোৰৰ পৰিভ্ৰমণৰ ইতিহাসৰ উমান পাব পাৰি। লগতে বাসস্থান, খাদ্য, ধৰ্ম বিশ্বাস, প্ৰকৃতি, সংস্কৃতি আদি বিভিন্ন কথাৰো আভাস পোৱা যায়।

অবিভক্ত গোৱালপাৰা জিলাৰ প্ৰধান ভাষা অসমীয়া। গতিকে এই অঞ্চলৰ ঠাইৰ নামবোৰ অসমীয়া ভাষাৰ প্ৰভাৱত গঢ় লৈ উঠিছে। কিন্তু এটা উল্লেখ কৰিবলগীয়া কথা যে, ইয়াৰ কথিত অসমীয়া ভাষাটো মান্য অসমীয়াতকৈ কিছু পৃথক। ইয়াৰ ঠাইৰ নামবোৰৰ

উচ্চাৰণত কথিত অসমীয়া (গোৱালপৰীয়া উপভাষা)ৰ প্ৰভাৱ লক্ষ্য কৰা যায়। যেনে— কুইমাৰী, শাউলেবৰী, গুইলনপাৰা খেচৰাপাৰা, ঝাকুৰাপাৰা ইত্যাদি। গোৱালপাৰা অঞ্চলৰ প্ৰধান ভাষা অসমীয়া হ'লেও গাৰো, বৰো, ৰাভা, হাজং ভাষা কোৱা লোকো এই অঞ্চলত প্ৰাচীন কালৰে পৰা বসবাস কৰি আছে। সেয়ে কিছুমান ঠাইৰ নামত গাৰো, বৰো আৰু ৰাভা ভাষাৰ প্ৰভাৱ পৰা দেখা যায়। যেনে—আদক্গিৰি (গাৰো), মক্মা গ্ৰাম (গাৰো), বাখুপাৰা (বৰো), দামৰা (ৰাভা) আদি।

প্ৰাকৃতিক বা ভৌগোলিক পৰিৱেশ অনুযায়ীও এই অঞ্চলৰ কিছু ঠাইৰ নাম গঢ়ি উঠিছে। যেনে—চাপৰ, দুমৰ দহ, বাহুদাঙা, বিল্লালপাৰা, হাঁহচৰাবড়ী, বেং ডোবা ইত্যাদি।

এই অঞ্চলত মাছৰ নামেৰে ভালেমান ঠাইৰ নাম আছে। যেনে—পুঠিমাৰী, বেছিমাৰী, কুইমাৰী, মাগুৰমাৰী, শালমাৰী, শিঙিমাৰী, কুঢ়িয়ামাৰী ইত্যাদি।

অবিভক্ত গোৱালপাৰা জিলা বিশেষকৈ হাবি-বননিৰে ভৰা অঞ্চল। এই অঞ্চলৰ হাবিত মূল্যবান গছ-গছনিৰ লগতে নানা তৰহৰ ঔষধ জাতীয় লতা, ঘাঁহ, তৃণ আদি আছে। গছৰ নামৰ ওপৰত ভিত্তি কৰি বহুতো ঠাইৰ নামৰ সৃষ্টি হৈছে। যেনে— একলা শালতল, শালকোছা, নাহৰপাৰা, কঠালবাৰী, গুইলনপাৰা, কলাবাৰী, বাশবাৰী, পাণবাৰী, আমবাৰী, বগৰীবাৰী, খাগ্ৰাবাৰী, তামোলবাৰী, কচুবাৰী, টাঙাবাৰী, পিপলীবাৰী, ঘিলাবাৰী ইত্যাদি।

গোৱালপাৰা জিলাত ঠাইৰ নামকৰণত এক সুকীয়া বিশেষত্ব আছে। জীৱ-জন্তুৰ নামৰ ওপৰত ভিত্তি কৰিও কিছুমান ঠাইৰ নাম ৰখা হৈছে। যেনে—

হুদু—হুদুমখাটা

ভালুক—ভালুকমাৰী

সাপ—সাপকাটা

গেৰা—গেৰামাৰী ইত্যাদি।

কিছুমান ঠাইৰ নামকৰণ ৰীতি কৃষ্টিমূলীয়। পুৰ, পাৰা, হাট, গঞ্জ, গ্ৰাম, গাঁও আদি শব্দ সংযোগ কৰিও কিছুমান ঠাইৰ নাম ৰখা হৈছে। যেনে—

'পুৰ' শব্দৰ সংযোগত— গৌৰীপুৰ, লক্ষীপুৰ

'পাৰা' শব্দৰ সংযোগত—গোৱালপাৰা, বিলাসীপাৰা, খেকাপাৰা, তেলীপাৰা।

'হাট' শব্দৰ সংযোগত— বক্সীৰহাট, নয়াহাট, তামৰহাট, কাছাৰীহাট।

'গঞ্জ' শব্দৰ সংযোগত— আলমগঞ্জ, গোলকগঞ্জ, প্ৰতাপগঞ্জ, কুমাৰগঞ্জ, ফকিৰগঞ্জ।

'গ্ৰাম' আৰু 'গাঁও' শব্দৰ সংযোগত- ফকিৰাগ্ৰাম, সাপটগ্ৰাম, সৃজনগ্ৰাম, গোসাইগাঁও, কচুগাঁও, ঢালিগাঁও, বাসুগাঁও, বঙাইগাঁও ইত্যাদি।

ইতিহাস বা বুৰঞ্জীৰ সম্ভেদ দিব পৰা বুৰঞ্জীৰ ঘটনা সাঙোৰ খাই থকা এই অঞ্চলৰ ঠাইৰ নামবোৰ হ'ল—অভয়াপুৰী, কোঠাকুঠি, চাপলাই, বিজনী, বিকালী, মেচপাৰা, ধূপধৰা, লক্ষীপুৰ, হাব্ৰাঘাট ইত্যাদি। অবিভক্ত গোৱালপাৰা জিলাতেই আছে অসম খ্যাত ধীৰবিল, চক্ৰশিলা অভয়াৰণ্য যিয়ে অসমৰ মানচিত্ৰত স্থান দখল কৰিবলৈ সক্ষম হৈছে।

এই অঞ্চলৰ বহু ঠাই পুৰাতাত্বিক তথ্যেৰে এতিয়াও চিহ্নিত হৈ আছে। চান্দৰডিঙা পাহাৰ, টোকৰাবান্ধা পাহাৰ, সোণামুখী গাঁও, নুনমাটি গাঁও, যোৰ নাগৰা, বামুন ঠাকুৰৰ থান, শ্ৰীসূৰ্যপাহাৰ আদিত পৌৰাণিক, ঐতিহাসিক কাহিনী থকাৰ উপৰিও পুৰাতাত্বিক সমলেৰেও ঠাঁহ খাই আছে।

অবিভক্ত গোৱালপাৰা অঞ্চলত হিন্দুৰ বিভিন্ন সম্প্ৰদায়, মুছলিম, বৰো, গাৰো, ৰাভা আদি জনগোষ্ঠীৰ মানুহে অতীজৰে পৰা বসবাস কৰি আছে। সেয়েহে এই অঞ্চলৰ ঠাইৰ নামসমূহত এই জনগোষ্ঠীসমূহৰ প্ৰভাৱ বিদ্যমান। যেনে—কলিতাপাৰা, যোগীপাৰা, সুতাৰপাৰা, ৰাভাপাৰা, বামুনপাৰা, মেচপাৰা, গাৰোপাৰা, ইছলামপাৰা, মুছলমানপাৰা, কামাৰপাৰা, কায়স্থপাৰা, কাজীপাৰা, কাঁড়ীপাৰা, গণকপাৰা, গোৱালপাৰা, জলধাপাৰা, জামাদাৰপাৰা, তেলীপাৰা, দেউৰীপাৰা, নেপালীপাৰা, ভূটীয়াপাৰা ইত্যাদি।

কোনো জীৱিকা বা ব্যৱসায়ৰ যোগেদিও কিছুমান ঠাইৰ নাম সৃষ্টি হৈছে। যেনে— বেপাৰীপাৰা, বানিয়াপাৰা, হীৰাপাৰা, ডোমনীপাৰা, তেলীপাৰা, মহাজনপাৰা, সুঁৰী (শূৰী-মদ)পাৰা ইত্যাদি।

বৰো, গাৰো, ৰাভা, খাচী—প্ৰভৃতি জনজাতীয় শব্দেৰে কিছুমান গাঁৱৰ নামকৰণ হৈছে। যেনে— দত্মা (বৰো), উকিয়াম (খাচী), বলবলা, মাদাং, টিক্রিকিল্লা (গাৰো), বায়দা, দামলচোচ, দাম্ৰা (ৰাভা)—এনেকৈ বিভিন্ন ভাষিক সম্প্ৰদায়ৰ শব্দৰ সম্ভাৰেৰে নামনি অসমৰ ঠাই কিছুমান জনসাধাৰণৰ মাজত পৰিচিত হৈছে আৰু সম্প্ৰীতিৰ বন্ধন দৃঢ় হৈছে।

অবিভক্ত গোৱালপাৰা জিলাৰ গাঁওবিলাকৰ আন এটা বৈশিষ্ট্য হৈছে একে গোষ্ঠীৰ মানুহ, ঠায়ে ঠায়ে থুপ খাই বসবাস কৰা আৰু প্ৰায়বিলাক গাঁওতে বিভিন্ন সম্প্ৰদায়ৰ মানুহ একেলগে বসবাস কৰা। বিশেষকৈ ধুবুৰী জিলাৰ চাপৰ অঞ্চলৰ গাঁওবিলাকৰ নামৰ শেষত পুৰ, টাৰী, পাৰা আদি শব্দ উচ্চাৰিত হয়। যেনে—সত্যপুৰ, শান্তিপুৰ, বহলপুৰ, পাতালপুৰ, মৌৱাটাৰী, গৌৰাংটাৰী, ঘুনিমাৰী, ৰৌমাৰী, পুঠিমাৰী, শিঙিমাৰী, টিলাপাৰা, পুখুৰীপাৰা, যোগীপাৰা, কাজিপাৰা ইত্যাদি।

প্ৰাচীন অসমৰ ঐতিহাসিক, সাংস্কৃতিক আৰু সামাজিক চিত্ৰ নিখুঁতভাৱে আঁকি অসমৰ কথা জানিবলৈ হ'লে ঠাইসমূহৰ নামকৰণৰ মাজেদি অতীতলৈ উভতি গৈ বিচাৰিব লাগিব। মানিকাচৰ, ৰাজাবাৰী, যোগীঘোপা, পাগলাৰ টেক, ছাতাবাৰী, হাটশিঙিমাৰী—প্ৰভৃতি ঠাইৰ প্ৰাচীন ঐতিহ্য নিষ্ঠাৰে বিশ্লেষণ কৰি চাব লাগিব।

শ্ৰীসূৰ্য পাহাৰৰ শিলত খোদিত নানান দেৱ-দেৱীৰ মূৰ্ত্তিৰ লগতে থকা সূৰ্য পূজাৰ নিদৰ্শন, চান্দৰ ডিঙাৰ পুৰণি ইতিহাস, চিক্নাঝাৰৰ ঐতিহাসিক তথ্যসমূহ যদি অসমৰ শিক্ষিতজনে তথ্যভিত্তিক আৰু ক্ষেত্ৰভিত্তিক অনুসন্ধান কৰি উত্তৰ পুৰুষৰ বাবে বাট কাটি নথয় তেন্তে পুৰণি ঐতিহ্যসমূহ হেৰাই যোৱাৰ সম্ভাৱনা প্ৰচুৰ।

প্ৰাচীন অসমৰ বহু ঐতিহ্যপূৰ্ণ ঠাই বৰ্তমান মেঘালয়, গাৰোপাহাৰ, পূৰ্ববংগ (বাংলাদেশ) পশ্চিমবংগ আৰু ভূটান ৰাজ্যৰ অন্তৰ্ভুক্ত। এই ক্ষেত্ৰত পুৰাতত্ব বিভাগ, চৰকাৰ, বুৰঞ্জীবিদ, শিক্ষাবিদসকলৰ কৰণীয় যথেষ্ট থকা বুলি ভাবো।

কিছুমান ঠাইৰ নামটোতে পৰিচিত অৰ্থ লুকাই থাকে; যেনে—শালপাৰা, আমবাৰী, নাহৰপাৰা ইত্যাদি। ঠাইসমূহৰ ব্যুৎপত্তিগত অৰ্থও প্ৰয়োজন সাপেক্ষে দিবলৈ চেষ্টা কৰা হৈছে। ঐতিহাসিক বিৱৰণ, সাংস্কৃতিক তাৎপৰ্যও পাৰ্যমানে দিবলৈও প্ৰয়াস কৰা হৈছে। ভুল-দোষ যোগ্যজনে দেখুৱাই দিলে পৰম কৃতাৰ্থ হ'ম।

সদৌ শেষত ক'ব পাৰি যে অসমৰ ঠাইৰ নামবোৰৰ বিজ্ঞানসন্মত অধ্যয়নৰ অতীব প্ৰয়োজন। এইবোৰৰ অধ্যয়নৰ যোগেদি অসমৰ সংস্কৃতি, ইতিহাস আদিৰ বহু কথা উদ্ধাৰ হোৱাৰ সম্ভাৱনা আছে। সম্প্ৰতি অসমত অতি অস্থিৰ পৰিস্থিতি বিৰাজ কৰিছে। সন্ত্ৰাসবাদ আৰু গোষ্ঠী চেতনাই ইয়াত গা কৰি উঠিছে, হিংসাই সামাজিক বাতাবৰণ প্ৰদূষিত কৰিছে। এনেকুৱা গৱেষণা কাৰ্যই অসমৰ লগতে গোটেই দেশৰ সাংস্কৃতিক ঐক্য সাধনত সহায় আগবঢ়াব পাৰে।

এনে ধৰণৰ গৱেষণামূলক কৰ্মই জ্ঞানৰ নতুন দিগন্তৰ সূচনা কৰাৰ লগতে সামাজিক শান্তি আৰু দেশৰ ঐক্য ৰক্ষা কৰাতো সহায় কৰে। অসমৰ বিশাল ভৌগোলিক পৰিসীমাৰ অন্তৰ্গত ঠাইসমূহৰ নামকৰণৰ ইতিহাস উদ্ধাৰ কৰাটো এক বিশাল গৱেষণা প্ৰকল্প, যিটো এককভাৱে সম্পন্ন কৰাটো সহজ সাধ্যও নহয়, এটি দলীয় প্ৰচেষ্টাৰেহে সম্ভৱ। আমাৰ একক প্ৰচেষ্টাৰে অবিভক্ত গোৱালপাৰা জিলাৰ ঠাইনামসমূহ পাৰ্যমানে এই অধ্যয়নৰ অন্তৰ্ভুক্ত কৰা হ'ল। বিশ্লেষণাত্মক পদ্ধতিৰ প্ৰয়োগৰে 'অৱতৰণিকা'ত অধ্যয়ন ক্ষেত্ৰ অবিভক্ত গোৱালপাৰা জিলাৰ পৰিচয় দিবলৈ প্ৰয়াস কৰা হৈছে। লগতে গৱেষণাৰ বিষয়বস্তু, উদ্দেশ্য, সমল আৰু পদ্ধতি সম্পৰ্কেও আলোচনা কৰা হৈছে। প্ৰথম অধ্যায় 'ঠাইৰ নামকৰণৰ গুৰি-কথা'ত অবিভক্ত গোৱালপাৰা জিলাৰ লগতে অসমৰ ঠাইৰ নামকৰণৰ সম্পৰ্কত ইতিহাস, ভূগোল, সংস্কৃতি আদিৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায় 'ঠাই নামৰ সংস্কৃতি'ৰ জৰিয়তে ঠাই নামসমূহত জাতিসমূহৰ ভাষা-সংস্কৃতিৰ প্ৰভাৱ পৰিলক্ষিত হয় আৰু ঠাই নামকৰণো সংস্কৃতিৰে যে এটি আমোদজনক অংগ এই বিষয়ে আলোচনা দাঙি ধৰা হৈছে। তৃতীয় আৰু চতুৰ্থ অধ্যায় দুটা হ'ল মূল অধ্যায়। এই অধ্যায় দুটাত অবিভক্ত গোৱালপাৰা জিলাৰ আঠকুৰি (১৬০)খন ঠাইনামকৰণৰ আলোচনা সামৰি লোৱা হৈছে। এই আলোচনাত ঠাই নামবোৰৰ সৃষ্টিত লোকসংস্কৃতি, ইতিহাস, ভূগোল, কিম্বদন্তি, জনবিশ্বাস, বিভিন্ন গোষ্ঠীৰ ভাষা-উপভাষা আদিৰ যে প্ৰভাৱ পৰিছে তাৰ উমান পোৱা যাব। পঞ্চম অধ্যায় 'অবিভক্ত গোৱালপাৰা জিলাৰ ঠাই নামসমূহৰ সাহিত্যত প্ৰতিফলন আৰু ঠাই নামৰ পৰিৱৰ্তন'ত উদাহৰণ সহ বিশ্লেষণ আগবঢ়োৱা হৈছে। 'উপসংহাৰ'ৰ জৰিয়তে এই আলোচনাৰ সামৰণি পেলোৱা হৈছে।

সৰ্বশেষত ইয়াকে ক'ব পাৰি যে, এনেকুৱা ঠাইনামকৰণৰ গৱেষণাই মানুহৰ ইতিহাস তথা সংস্কৃতিৰ ন ন দিশ উন্মোচন কৰিব পাৰে। এনে অধ্যয়নে মানুহৰ জ্ঞানতৃষ্ণা আৰু কৌতূহল নিবাৰণৰ লগতে সমাজৰ সমন্বয় সাধন কৰি শান্তি-সম্প্ৰীতি ৰক্ষাতো সহায় কৰিব পাৰে।